**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিয়লি নতুন দিল্লীত ৰায়ছিনা আলোচনাৰ একাদশ সংস্কৰণ মুকলি কৰিব।

২।	কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্ণেই প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্ব আৰু শাসনৰ প্ৰশংসা কৰিছে।

৩।	অসমত ৰাজ্যসভাৰ তিনিখন আসনৰ বাবে বিজেপিৰ আৰু ইউ পি পি এলৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

৪।	ইজৰাইলৰ বায়ুসেনাই ইৰানৰ ওপৰত পুনৰ আক্ৰমণ কৰিছে।

**আৰু**

৫।	আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি ভাৰত আৰু ইংলেণ্ড মুখামুখি হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিয়লি নতুন দিল্লীত ৰায়ছিনা আলোচনাৰ একাদশ সংস্কৰণ মুকলি কৰিব। ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি ড০ আলেকজেণ্ডাৰ ষ্টব উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব আৰু মূল ভাষণ প্ৰদান কৰিব। ৰায়ছিনা আলোচনা ভাৰতৰ ভূ-ৰাজনৈতিক আৰু ভূ-অৰ্থনীতি বিষয়ক মুখ্য সন্মিলন। এই সন্মিলনত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায় সন্মুখীন হোৱা সবাতোকৈ বৃহৎ প্ৰত্যাহ্বানৰ সমাধান উলিওৱাৰ চেষ্টা কৰা হয়।

এইবেলি সংস্কাৰ- দৃঢ়তা, সামঞ্জস্য আৰু উন্নয়নৰ বিষয়বস্তুৰে আয়োজিত এই আলোচনাত ১১০ খন দেশৰ প্ৰায় ২ হাজাৰ ৭ গৰাকী প্ৰতিনিধিয়ে ভাগ লব। ইয়াৰ ভিতৰত কেইবাগৰাকীও মন্ত্ৰী, প্ৰাক্তন ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধান, সাংসদ, সৈন্য কমাণ্ডাৰ আৰু উদ্যোগ জগতৰ কাণ্ডাৰী আছে। এই তিনিদিনীয়া সন্মিলনত বিশ্বৰ নীতি প্ৰণেতা আৰু চিন্তাবিদ সকলে ৬টা বিষয়গত স্তম্ভ সম্পৰ্কে আলোচনা কৰিব। ইয়াৰ ভিতৰত বিবদমান সীমা, শক্তি, ধ্ৰুৱীকৰণ, উমৈহতীয়া সম্পদৰ পুনৰনিৰ্মাণ অন্যতম।

০০০০০০০০০

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্ণেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্ব আৰু শাসনৰ প্ৰশংসা কৰিছে। তেওঁ শ্ৰীমোডীৰ শক্তিশালী কাৰ্যপদ্ধতি আৰু জনসাধাৰণৰ সুবিধাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা মনোভাৱৰ প্ৰশংসা কৰে। শ্ৰী কাৰ্ণেই লগতে ভাৰতৰ সৈতে দেশখনৰ সম্পৰ্ক সুদৃঢ় কৰাৰো ইংগিত দিয়ে। অষ্ট্ৰেলিয়াৰ ছিডনীত এটা অনুষ্ঠানত অংশ লৈ কানাডাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰীগৰাকীক এজন শৃংখলাবদ্ধভাবে কাম কৰা নেতা বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোডীৰ সৈতে তেওঁৰ শেহতীয়া বাৰ্তালাপৰ প্ৰসংগ উল্লেখ কৰি শ্ৰী কাৰ্ণেই কয়, যে শ্ৰী মোডীয়ে জনসাধাৰণৰ সৈতে ব্যাপক যোগাযোগ বজাই ৰাখিছে। তেওঁ কয়, যে শ্ৰী মোডীয়ে সঘনাই সমগ্ৰ দেশতে বৃহৎ জনসভাত অংশ লয় যিয়ে তেওঁৰ প্ৰতি থকা জনসাধাৰণৰ ব্যাপক সমৰ্থনক প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰী কাৰ্ণে আৰু প্ৰধানমন্ত্ৰী মোডীৰ মাজত হোৱা আলোচনাত অৰ্থনৈতিক সংস্কাৰ আৰু ডিজিটেল ৰূপান্তৰৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ত আলোকপাত

কৰা হয় বুলি শ্ৰী কাৰ্ণেই প্ৰকাশ কৰে। গোলকীয় কূটনীতিৰ সৰ্বোচ্চ পৰ্যায়ত কাম কৰাৰ পাছতো প্ৰধানমন্ত্ৰী মোডীয়ে তৃণমূল পৰ্যায়ত গুৰুত্ব আৰোপ কৰাৰ কথা কানাডাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে কানাডাই কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি উন্নত প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ সৈতে সহযোগিতাৰ সম্ভাৱনীয়তা প্ৰত্যক্ষ কৰিছে। শেহতীয়াকৈ দুয়োখন দেশৰ মাজৰ সম্পৰ্কই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে যদিও দুয়োপক্ষই এই সম্পৰ্ক পুনৰনিৰ্মাণ তথা অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ষ্টবৰ সৈতে দ্বিপাক্ষীক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দ্যেশে বিভিন্ন বিষয় লৈ আলোচনাত মিলিত হ'ব। সাক্ষাৎকালত তেওঁলোকে বহুপাক্ষিক মঞ্চসমূহত সহযোগিতাকে ধৰি পাস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰিব। আলোচনাৰ অন্তত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোডীয়ে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে মধ্যাহ্ন ভোজমেলৰো আয়োজন কৰিছে।

শ্ৰী ষ্টব চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। তেওঁক বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে বিমান বন্দৰত আদৰণি জনায় । ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হৈছে শ্ৰী ষ্টবৰ প্ৰথম ভাৰত ভ্ৰমণ। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণেও অভ্যাগত ৰাষ্ট্ৰপতি গৰাকীক দেখা কৰিব।

000000000

ৰাজ্যসভাৰ আসন্ন নিৰ্বাচনৰ বাবে কংগ্ৰেছে এখন ছজনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। তেলেংগানাৰ পৰা অভিষেক মনু সিঙভি আৰু ভেম নৰেন্দৰ ৰেড্ডীক মনোনীত কৰা হৈছে। ছত্তিশগড়ৰ পৰা ফুলো দেৱী নেতাম, হাৰিয়ানাৰ পৰা কৰমবীৰ সিং বৌধ, হিমাচলৰ পৰা অনুৰাগ শৰ্মা আৰু তামিলনাডুৰ পৰা এম ক্ৰিষ্টোফাৰ তিলকে মনোনয়ন পত্ৰ দাখিল কৰিছে।

অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ ভিতৰত দুখনৰ বাবে বিজেপিৰ তেৰছ গোৱালা আৰু যোগেন মহনে মনোনয়ন দাখিল কৰিছে। তৃতীয়খন আসনৰ বাবে ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে ১০খন ৰাজ্যৰ খালী হ'বলগীয়া  ৰাজ্যসভাৰ ৩৭ খন আসনৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আজি সামৰণি পৰিব। মনোনয়ন পত্ৰসমূহ কাইলৈ পৰীক্ষা কৰা হ'ব আৰু প্ৰাৰ্থীসকলে ৯ মাৰ্চলৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব।  ১৬ মাৰ্চত ভোটগ্ৰহণ কৰা হ'ব আৰু একেদিনাই ফলাফলো ঘোষণা কৰা হ'ব।

00000000

বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ৰাজ্যসভাৰ আসন্ন নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব বুলি নিশ্চিত কৰিছে। শ্ৰী কুমাৰে সামাজিক মাধ্যম যোগে কয় যে, তেওঁ সদায় বিহাৰ বিধানসভা আৰু সংসদৰ উভয় সদনৰ সদস্য হ'ব বিচাৰিছিল। তেওঁ লগতে দুই দশকৰো অধিক সময়ৰ বাবে মুখ্যমন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে বিহাৰৰ জনসাধাৰণৰ শলাগ লয়।

00000000

ইজৰাইলৰ বায়ুসেনাই ইৰাণৰ ওপৰত পুনৰ আক্ৰমণ চলাইছে। ইজৰালী প্ৰতিৰক্ষা বাহিনীসমূহে তেহৰানত থকা ইৰাণৰ শাসনৰ আন্তগাঁথনিসমূহত আঘাত হানিছে। ইয়াৰপূৰ্বে ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে ইৰাণৰ ইস্ফহান আৰু কাম এলেকাত ক্ষেপণাস্ত্ৰ উৎক্ষেপণ আৰু প্ৰতিৰক্ষা প্ৰণালীসমূহৰ ওপৰত আক্ৰমণ চলাইছিল। ইস্ফহানত বায়ুসেনাৰ আক্ৰমণত প্ৰতিৰক্ষা প্ৰণালী নষ্ট হোৱা বুলি বাতৰি পোৱা গৈছে। ইপিনে, ইজৰাইলৰ বায়ুসেনাই অঞ্চলটোৰ আকাশমাৰ্গত শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ উদ্দেশ্যে আক্ৰমণ চলোৱা বুলি অভিযোগ কৰে।

oooooooo

ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লা ছৈয়দ খামনেইৰ নশ্বৰ দেহ অন্তিম দৰ্শনৰ বাবে গ্ৰেণ্ড মোছালালৈ নিয়াৰ প্ৰস্তুতি চলি আছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ যুটীয়া আক্ৰমণত খামনেইৰ মৃত্যু হৈছে। তেহৰানৰ গ্ৰেণ্ড মোছালা সুবিশাল প্ৰাৰ্থনা চৌহদ আৰু গুৰুত্বপূৰ্ণ ৰাজকীয় ধাৰ্মিক সমাৰোহৰ বাবে এই চৌহদ ব্যৱহাৰ কৰা হয়। আয়াতুল্লা খামনেইক কালি অন্তিম বিদায় জনোৱাৰ কথা আছিল যদিও ইৰাণ আৰু আমেৰিকা-ইজৰাইলৰ যুটীয়া বাহিনীৰ মাজত অব্যাহত সংঘৰ্ষৰ বাবে এই কাৰ্যসূচী স্থগিত কৰা হয়। মোছালাত হাজাৰ-হাজাৰ শোকসন্তপ্ত লোক সমবেত হোৱাৰ সম্ভাৱনা আছে।

oooooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। আজিৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত নিউজিলেণ্ডৰ সন্মুখীন হ'ব।

কালি প্ৰথমখন ছেমি ফাইনেলত নিউজিলেণ্ডে ফিন এলেনৰ অপৰাজিত শতৰানৰ সহায়ত দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই বান্ধি দিয়া ১৭০ ৰানৰ লক্ষ্য নিউজিলেণ্ডে ১২ অভাৰ আৰু ৫টা বলত এটা উইকেট হেৰুৱাই অনায়াসে বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ আগেয়ে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৬৯ ৰান সংগ্ৰহ কৰে। ফিন এলেনক প্লেয়াৰ অৱ দা মেচৰ ট্ৰফী প্ৰদান কৰা হয়।

oooooooo

সমাপ্ত